চপৰাবোৰ ঢাকি পেলায়। ফাগুণৰ বাউলী পছোৱাই কোমল কোমল পাতবোৰ নচুৱাই নচুৱাই লহপহকৈ বাঢ়ি যাবলৈ উদগণি দিয়ে। ভোগালিৰ ভোগ খাবলৈ ঘৰমুৱা হোৱা লখিমী আকৌ মনে মনে আহি পথাৰত থিত দিয়েহি। খেতিয়কৰ মন আৰু লখিমী দুয়ো অভিন্ন, পথাৰ এৰি ঘৰত থাকিব নোৱাৰে। মদাৰ-পলাশৰ তেজীৰঙা পৰশে ফাগুণকো ৰঙা কৰি বিদায় দিয়ে। চ'ত আহে। ভেবেলী লতা ফুলে, লতাৰ লতা-পতা মিতিৰ নহয়, কথা-পতা মিতিৰো নহয়, সাতাম-পুৰুষীয়া মিতিৰ। কিবা এটা চঞ্চলতা, কিবা এক আবেগ, কিবা এক উন্মনা পৰিবেশ লৈ আহে। 'ঘৰতো নবহে মন, পথাৰতো নবহে মন, কমোৱা তুলাবোৰ যেনেকৈ উৰিছে, তেনেকৈ উৰিবৰ মন।' গা ৰাইজাঁই কৰে। প্ৰকৃতিৰ গছে-বনে বিয়পি পৰা চপলতা মানুহৰ সিৰাই সিৰাই বিয়পি পৰে, হাত-ভৰি-গাবোৰ কুট্‌কুটায়, বুকু চম্‌চমায়, কিবা এটা বিচাৰি মনটো হম্‌হমায়। ৰতাহৰ ছেৱে ছেৱে নাচি দিবৰ মন যায়, পেটৰ কথাবোৰ গীত হৈ পমি যায়। তেতিয়া গীতেৰেই কৈ দিবৰ মন যায়—'তামোল হোৱা হলে ফালি যেন দেখুৱাম, ভিতৰত কি কথা আছে'; 'মোৰ জানো মনতে পৰে ঘনে ঘনে, তোমাৰ জানো মনতে নাই।' পথাৰত ৰতাহত হালি জালি নাচি থকা ধাননি আৰু ধাননিৰ কাষৰ বড়গছৰ তলত বিহুতলী। ৰূপা-গৰকা সোণৰ সোলেং আৰু যৌৱনে গৰকা দেহা সমানেই আপুৰুগীয়া। চ'তৰ নিশাবোৰ আহে প্ৰেমৰ শিখাৰে ৰাঙলী হৈ। তাহানিৰ আদিম মানুহৰ ধাৰণা, নাচোনৰ গিৰিপনিত পৃথিবী শস্য-সম্ভৱা হয়, গীতৰ মৃদু মধুৰ মূৰ্চ্ছনাত লখিমী গৰ্ভসম্ভৱা হয়। সেয়েহে ধাননিৰ কাষে কাষে যৌৱনে গৰকা ডেকা-গাভৰুৱে গীত-গাই, বাদ্য বজাই, নাচি নাচি লখিমীৰ উৎপাদিকা শক্তি বঢ়াবলৈ আয়োজন কৰে। এইদৰেই এদিন পথাৰৰ কাষত ৰাতি বিহুৰ পাতনি মেল খাইছিল। সময়ৰ বোৱতী সুঁতিত পৰি

ৰাতি বিহু আজি আৰু নাই, কিন্তু এদিন এই পথাৰৰ পাতলিতে ৰঙালী বিহুৰে পাতনি মেলিছিল। সেয়েহে আজিও 'বকুল বৰা ধানৰ আখৈ ভাজি' একেলগে খাই যুৰীয়া জীৱনৰ থুৰিয়াই খোৱা বান্ধটো আঁটিল কৰি লবলৈ মন যায়। সৃষ্টিৰ সৃষ্টিকামী সত্যটোক সদৰী কৰি দিবলৈ হাবিয়াস হয়।

ৰঙালীৰ ৰং লাগি বহাগৰ দিনবোৰ ৰাঙলী হয়। অতি চেনেহৰ বহাগৰ বিহুটি হাততে মলঙি যায়। ভুমহীয়া সঙ্গীতমুখৰ পৰিবেশত বতাহ কোবোৱা আহুধানবোৰ লখিমীৰ পৰশত গৰ্ভ-সম্ভৱা হয়। সেউজীয়া পাতৰ আঁচল উদঙাই গেঁৰেলি মেলে—অনাগত ভবিষ্যতৰ সোণগুটি ধান। কৃষকৰ সপোনবোৰ বাস্তৱ হয়, বাস্তৱ ৰঙীণ হৈ পৰে। এদিন আদিম মানুহৰ আদিম কল্পনাৰ পটভূমিত গইনা লৈ এটা আনন্দ-মুখৰ উৎসৱৰ জন্ম হৈছিল। উপলক্ষ্য এখন বহল পথাৰ আৰু এডৰা সেউজীয়া ধান। আজিও পথাৰৰ লগৰীয়া ৰঙা পৰলা-কজলা গৰুহালক এজোলোকা আশীৰ্ব্বাদ দি একাজলি পানীৰে গা-ধুৱাই, এডাল নতুন পঘা, এটা নতুন ফোঁট দিয়ে। আহু খেতিৰ পৰিমাণ কমি অহাৰ লগে লগে, মানুহৰ গীত-মাতৰ প্ৰাচুৰ্য্যও কমি আহিল। কিন্তু এদিন জ্যোতিষৰ হিচাপত সেইখিনি পৰতে নতুন বছৰৰ ডাক পৰিল। খেতিয়ক মানুহৰ মূল কৃষিমূলক উৎসৱ নতুন বছৰৰ উৎসৱলৈ পৰিণত হ'ল। সি যি কি নহওক, বিহু আৰু পথাৰৰ সম্পৰ্ক অতি পুৰণি, বছৰৰ হিচাপৰ বুৰঞ্জীতকৈ বহুত পুৰণি।

আহাৰ আহিল। কৃষিজীৱী পৰম্পৰাই বসন্তৰ পৰশত যৌৱনসনা কুমাৰী পৃথিৱী অন্তঃসত্ত্বা হোৱাৰ বুজ পালে। মাঘ-ফাগুণৰ উষৰ পথাৰ উৰ্ব্বৰ হৈ উঠিল। আশাবাদী দৃষ্টিত পথাৰে ৰং সলালে। খেতিয়কে চাৰি দিন হাল খতি কৰি পৃথিৱীৰ সৃষ্টিসম্ভৱা শক্তিক প্ৰণিপাত জনালে। তাৰ পিছত আহাৰ-শাওন-ভাদ পাৰ হ'ল।

খেতিয়কৰ কপালৰ কেঁচাঘামে, ৰোৱনীৰ লাৱনী পৰশে পৃথিবীৰ প্ৰজনন-শক্তিক জাগ্ৰত কৰে। পৃথিবীৰ শক্তিৰ লগত লখিমী তেজপানী হৈ মিলি যায়। ৰোৱনীৰ হাতৰ মুঠি সৰকি অহা কাচি ৰোৱাডৰা সজাল ধৰে। সজাল ধৰা ধাননিডৰা আহিনৰ পৰশত গৰ্ভৱতী হয়। সেয়েহে কৃষিজীৱী মানুহে এগছি বন্তি জ্বলাই লখিমীক প্ৰণিপাত জনোৱাৰ দিহা কৰে। সোণগুটি ধানৰ ভবিষ্যত বুকুত লৈ গেৰেলি মেলা ধানৰ নতুন সুবাসসনা ৰূপটো চাই অহাটো উচিত বুলি ভাবে। কৃষি তথা শস্য দেউতাক তুলসীৰূপে পূজা দিবলৈ চাকি-বাতি জ্বলাই এজুপি তুলসী ৰোৱে। এদিন, পৃথিবী যেতিয়া ভোগৱতী আছিল তেতিয়া মানুহে মনৰ জোখাৰে লখিমী ধানডৰা দেখি আনন্দিত হৈ এসাজ সুখেৰে খাইছিল। সেইদৰে এদিন শৰতৰ মৰতত এটি উৎসৱ নামিছিল;—যাৰ ওতঃপ্ৰোত সম্পৰ্ক কৃষিৰ লগত। আমাৰ কঙালী পৃথিবীলৈ এই উৎসৱ অহা বাবে আমি নাম দিলোঁ কঙালী বিহু। জ্যোতিষৰ গণনাত আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা এই উৎসৱৰ দিন নিৰ্দ্ধাৰণ কৰি আহি নাম দিলোঁ কাতি বিহু। বিষুৱৰ লগত সূৰ্য্যৰ সম্পৰ্ক দেখি এই উৎসৱক বিষু উৎসৱ বুলি কোৱা হ'ল। বস্তুটো আগতে সৃষ্টি হ'ল। নামকৰণ পিছতহে। আহু-শালি ধান খেতিৰ বতৰৰ লগত জড়িত এই আদিম উৎসৱবোৰ পথাৰৰ গাত গইনা লৈহে সৃষ্টি হৈছিল। আমি সভ্যতাৰ দীঘলী বাটেদি বাট-কুৰি বাই অহা মানুহবোৰে এই উৎসৱবোৰক চুঁচি-মাজি, যোগ-বিয়োগ কৰি নতুন নাম দিছোঁ।

পথাৰৰ উকঙা পৰিবেশটোৰ সুযোগ লৈ উকঙা মনটো পাতল হৈ উৰি যায়। সেয়েহে পথাৰৰ মাজে মাজে গলধন-ধৰা মহ'টোত উঠি যাওঁতে আজিও চিঞৰি চিঞৰি কয়—'এইবেলি বিহুটি খাবলৈ নাপালোঁ, মতা ম'হ ৰখীয়া দিলে;' 'পথাৰে পথাৰে বিচাৰি ফুৰিলোঁ ক'তে দাই আছিলা ধান'; 'হাতে মেলি মেলি দাবলৈ নেপালোঁ, পথাৰৰ মাগুৰি ধান' ইত্যাদি। তাহানি বিহুতলীত

জীৱনৰ লগৰী বাছিবৰ বেলিকা ডেকাই জানো কেৱল বিহুৰ উখামুখাতে লগৰী বিচাৰিছিল? হাতত ঘিলা-চকলীয়া মুঠি লৈ ধান দাওঁতে কেঁচা ঘামৰ পৰশত পাভ মাছৰ বৰণ ধৰা ৰাঙলী গাভৰুজনী দেখি ডাঙৰী বান্ধি থকা উদণ্ডীয়া ডেকাটোৰ মনটো উচ্‌পিচাই উঠিছিল। মনৰ পটত সাঁচ বহি যোৱা ছবি এটাই প্ৰায়েই আমনি কৰিছিল, মিঠা-বৰণীয়া মূৰতি এটাই সপোন হৈ অগা-ভেটা কৰিছিল। তাৰ পিছত সেই পথাৰত গজি উঠা মন-পথাৰৰ কঠীয়া কেইডাল আশাৰ মাটিডৰাত সঁজাল ধৰি উঠিছিল সেই বাবেই চ'তমহীয়া ৰাতি বিহুত গাই দিয়ে—

'বৰঘৰৰ মুধতে ভঁৰালৰ টুপতে
চৰাই ফুটুকলা খায়;
মোৰ জানো মনতে পৰে ঘনে ঘনে
তোৰ জানো মনতে নাই?'

আৰু তাৰ উত্তৰত যেতিয়া কয়—

'শালে ভুমুকিয়ায় শ'লে ভুমুকিয়ায়
চেঙাই ভুমুকিয়াই খালত;
দেহাৰে ভিতৰত তুমি ভুমুকিৱা
সদায় পৰি থাকে মনত।'

তাৰ পিছত প্ৰণয়ৰ পলসত যুৰীয়া জীৱনৰ পাতনি মেল খায়। সেয়েহে কৃষি-সভ্যতাৰ বুৰঞ্জী, ইলাই পথাৰৰ স্মৃতি, সমাজ-জীৱনৰ দিনলিপি আৰু মানৱ-মনৰ স্বাক্ষৰ।

# নাহৰফুল ফুলিবৰ বতৰ

'আহোঁতে দেখোঁ ধন যাওঁতে দেখোঁ ধন
বগী জামুকৰে পুলি ;
খোৱাবো নহলি পিন্ধাবো নহলি
চকুৰহে পোৱণি হলি।'

চ'তমহীয়া বগা হৈ ফুলি থকা বগী জামুকৰ পুলিটো দেখি আদিম ডেকাটোৰ উদগ্ৰ কামনা জাগি উঠে। বগী জামুকৰ পুলিটো খোৱাবো যোগ্য নহয়, পিন্ধাবো লায়েকৰ নহয়। হয়তো গাৱঁৰ বগীতৰা যেন গাভৰুজনীৰ ঘৰো বগী জামুকৰ পুলিটোৰ কাষতে। সেয়েহে ডেকাটোৱে আহু মৰাৰ চলেৰেই বাও মাৰি মানুহজনীক মনৰ কথাটো বুজাবলৈ বগী জামুকৰ পুলিটোৰ গইনা লৈছে। এনেকৈয়ে বিহুৰ বতৰত ফুলি উঠা ফুলজোপা, ফুলপাহ, ফুলৰ পাপৰি, সুৰভি আৰু আনকি ফুলজোপাৰ ছাটোও বিহুৱাৰ বিহু-নামৰ বিষয় হৈ পৰে। প্ৰকৃতিৰ বুকুলৈ বসন্ত নামে। বসন্তৰ পৰশত গছ-বন মুঞ্জৰি উঠে। গছৰ ফুলপাত দেখি পুৰণি স্মৃতিলৈ নতুন সজীৱতা আহে। প্ৰকৃতিৰ সমলে সোঁৱৰাই দিয়ে বিহুৰ যাউতিযুগীয়া অস্তিত্ব আৰু আগমনিৰ আগলি বাতৰি। চ'ত মাহত দ'ল যেন গছবোৰত নাহৰ ফুল ফুলে। সুৰভিৰ তীব্ৰ মাদকতা বতাহৰ বোকোছাত বহুত দূৰলৈ উৰি যায় আৰু নাহৰৰ মাদকতাই বিহুবলীয়া ডেকা-গাভৰুৰ মন উৰুৱাই নিয়ে—বিহু বিহু ভাবটোৱে মনৰ গৰা খহায়।

'আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ।'

নাহৰ ফুল নুফুলিলে, ফুলৰ সুৰভি উৰি আহি মৰহা মনত সঞ্জীৱতা সিঁচি থৈ নগলে বিহু বিহু নেলাগে।

'ন-পানী বঢ়া নাই নাহৰ ফুল ফুলা নাই
বিহু বিহু লগা নাই গাত।'

নাহৰৰ সুৰভিৰ তীব্ৰতা যেনে উগ্ৰ, বিহুনামত ইয়াৰ ব্যৱহাৰো সিমানেই ঘন। নাহৰ ফুলে বিহুৰ আগলি বাতৰি দিয়েই ক্ষান্ত নেথাকে, যৌৱনৰ দুৱাৰদলি গৰকা ডেকা-গাভৰুৰ মন উকৰাই নিয়ে কমোৱা তুলাৰ দৰে। গাভৰুৰে গৰকত যঁতৰ ভাঙে—

'এইবেলি বিহুটি ৰমকে জমকে
নাহৰ ফুল ফুলিবৰ বতৰ;
নাহৰ ফুলৰ গোন্ধ পাই লাহৰীৰ তত নাই
গছকি ভাঙি যাওঁ যঁতৰ।'

চাপত শুধ বগা ভেবেলি লতা ফুলে। ভেবেলি লতায়ো বিহুৱাক বিহুৰ ওৰ নপৰা কথা কয়—

'চ'তে গই গই বহাগে পালেহি
ফুলিলে ভেবেলি লতা;
কৈনো কৈ থাকিলে ওৰকে নপৰে
বহাগৰ বিহুৰে কথা।'

বিহুনামৰ নাচনীৰ চেৰত সাধাৰণতে বিহুনামত ব্যৱহাৰ নোহোৱা ফুলৰ নামো পোৱা যায়। বোধকৰোঁ ছন্দব্যঞ্জনাৰ খাতিৰতে এই ফুলবোৰৰ নাম ব্যৱহাৰ কৰা হয়—'তিতিকি তিতাফুল' 'খোপাত মাৰে বকুল ফুল', 'ফুলে তগৰ বৃন্দাবন', 'অ' যুতি মালতী' ইত্যাদি। হুচৰিৰ ঘোষাবোৰতো ফুলৰ নাম পোৱা যায়। 'দেউতাৰ পদুলিত গোন্ধাইছে মধুৰি কেতেকী মলেমলাই ঐ গোবিন্দাই ৰাম', 'পাত ঐ পচলা মাধৈ ফুলৰ মালা', 'কৃষ্ণাইৰ মুৰতে বকুল ফুল এপাহি নিয়ৰ পাই মুকলি হ'ল', 'চম্পা নাহৰৰে

কলি না বৈ', 'পাৰিজাত ঐ পাৰিজাত', ইত্যাদি। অৱশ্যে হুচৰি গীতত ব্যৱহাৰ হোৱা ফুলবোৰ বতৰৰ ফুল। মাধৈমালতী, কেতেকী, বকুল, চম্পা, নাহৰ আটাইবোৰ বসন্তৰ ফুল। সাধাৰণতে ফুলৰ পাহিৰ জাকজমকে গীতিকাৰৰ মন আকৰ্ষণ কৰাতকৈ সুগন্ধৰ মাধুৰিমাইহে আকৰ্ষণ কৰা দেখা যায়। চকুৰ আগতে নেদেখিলেও বতাহৰ বোকোচাত উৰি অহা সুৰভিয়ে মনটো উন্মনা কৰি তোলে। সেয়েহে বতৰত অসংখ্য ফুল ফুলিলেও সুৰভি থকা ফুলবোৰেই লোকগীতত জনপ্ৰিয়তা লাভ কৰে। 'মোলানদৈ ঐ আহ যাওঁ ওমলোঁগৈ' শিতানৰ হুচৰি গীতটিত চম্পা, গুৱামালী, বকুল, বন্দুলি, মাধৈমালতী, তগৰ, গোলাপ, ৰঙাল, জাতি, জুতি, জঁাই, সেউতী, এই আটাইবোৰ ফুলৰ নাম আছে।

ফাগুণ-চ'তৰ ধূসৰ আকাশৰ উৰৰ পৃথিবীত মদাৰ-পলাশ ফুলি ৰাঙলী হয়। মদাৰ ফুলৰ কিন্তু আদৰ নাই। ফুলি ফুলি তল ভৰি সৰে। সেয়েহে প্ৰণয়ৰ পলসত পৰা চেনেহ-আকলুৱা ডেকাই ৰঙা মদাৰক প্ৰতীক হিচাপে লৈ গায়—

'কেলেই ফুলিলি ৰূপহী মদাৰ ঐ
কেলেই পেলালি কলি;
গুৰুতো নেলাগ ভকতত নেলাগ
থাক তলে ভৰি সৰি।'

গুৰু-ভকতত নলগা ৰঙা মদাৰো কিন্তু বিহুৱাৰ অনুৰাগে-ৰঞ্জিত মনত লাগিছে। সেইদৰে পূজাত নলগা আৰু দুই-এবিধ ফুলৰ নামো পোৱা যায়।

'ঐ ফুল ফুলিলে জগতে জানিলে
থেকেৰা ফুলিলে ৰাতি;
আমাৰে লাহৰী ওলাই আহিছে
যেন হালধিৰে গাঁঠি।'

পীৰিতিৰ পৰশ লগা মনত ফুলৰ সুৰভিয়ে সঁচাকৈয়ে কিবা এক কব নোৱৰা অৱস্থাৰ সৃষ্টি কৰে। সেইবাবে পীৰিতিৰ গীতবোৰত মাজে মাজে ফুলৰ ৰিজনি আৰু মাদকতাসনা গোন্ধৰ উল্লেখ পোৱা যায়। আশাৰে ফুলবাৰী পাতে, ফুল ফুলে কিন্তু ঢোপতে মৰহি যায়; পীৰিতিও সেয়ে।

'অতিকৈ চেনেহৰ ফুলবাৰী পাতিলোঁ
তাৰ মাজত খৰিকাজাই;
তাতোকৈ আশাৰে পীৰিতি কৰিলোঁ
ঢোপতে মৰহি যায়।'

ফুল ফুলি উঠাৰ দৰে মানুহৰ মনত মৰমবোৰো ফুলি উঠে। সৰিয়হ ফুলৰ লগতে সেয়েহে মৰমবোৰ মৰহি-মলঙি যোৱাৰ চিত্ৰও উজলি উঠে।

'লুইতৰ চাপৰিত সৰিয়হ ফুলিলে
মোৱাপোকে বেৰি যায়:
চেনাইৰ পথাৰত চেনেহবোৰ ফুলিছে
মৰহি-মলঙি যায়।'

বনঘোষাবোৰত অঙ্গৰাগৰ স্পন্দন উঠা দেখা যায়। দেহৰ অঙ্গ-সৌষ্ঠৱৰ উপমা দিবলৈ ফুলৰ নাম উল্লেখ কৰে। বুকুত পদুমৰ চকা আৰু হাতৰ ঠাৰিত পদুমৰ ঠাৰিৰ ৰিজনি দেখা যায়।

'তোমাৰ চকুযুৰি হৰিণাৰ চকু যেন
বুকুতো পদুমৰ চকা;
তোমাৰ হাতদুখনি পদুমৰ ঠাৰি যেন
ৰেচমৰ কাপোৰে ঢকা।'

* * *

'সেউতী এপাহি মালতী এপাহি
কেতেকীৰ থোৰালি পাহি;

তোমাৰ দেহাটি পচুমৰ পাহি যেন
মাণিকী মধুৰী হাঁহি।'

* * *

হাতো শুৱনী ভৰিও শুৱনী
বুকুতো পচুমৰ কলি;
আঁচুৱলী বিহাৰে তুমি কি ঢাকিবা
আপুনি উঠিব ফুলি।'

এঘৰৰ বাৰীত ফুল ফুলে; ইঘৰৰ বাৰীত ছাঁ পৰে। এজনৰ মনত প্ৰণয়ৰ পোখা মেলে, এজনৰ বুকুত তাৰ লতা বগায়। সেয়েহে ইন্দ্ৰজিত মালতীৰ ছাঁ আনৰ বাৰীত পৰি কাৰোবাৰ দেহত পোৰণি তোলে।

'তোৰ বাৰীত ফুলিলে ইন্দ্ৰজিত মালতী
মোৰ বাৰীত পৰিলে ছাঁ;
দিনৰ পৰে পৰে তোলৈ মনত পৰে
ৰাতি পুৰি মাৰে গা।'

কিছুমান বনঘোষাৰ প্ৰথম শাৰীটোত ফুলৰ উপমা দি পিছত অভিপ্ৰেত কথাষাৰি কোৱা হয়।

চ'তেকৈমহীয়া নাহৰ ফুল ফুলিলে
বতাহত পেলালে কলি।'

* * *

কপৌ ফুলে লুগুৱায় তোকে ঐ মইনা
তগৰ ফুলে লুগুৱায় তোক।

* * *

বাৰীৰ মাজে মাজে গোলাপ ফুল ফুলিলে
তিতাফুল ফুলিলে ঢাপত।'

কপৌ, তগৰ, বকুল, চম্পা ফুল গাভৰুৰ কেশ-বিন্যাসৰ উপকৰণ। গন্ধহীন হলেও কপৌ ফুলৰ সৌন্দৰ্য্য আছে। তাহানিৰ ঘিলাচকলীয়া কলডিলীয়া, নেঘেৰী খোপাবোৰ কপৌ ফুলে তুলি ধৰে। বকুল ফুলৰ মালাৰেও খোপা মেৰিয়াই বান্ধে। তগৰ আৰু চম্পাফুল খোপাত গুজি লয়—ইহঁতৰ তীব্ৰ গোন্ধে প্ৰাকৃতিক প্ৰসাধনৰ কাম কৰে। খৰিকাজাঁই আৰু কেতেকী ফুল নাৰিকল তেলত মিহলাই গোন্ধ তেল তৈয়াৰ কৰে। সেই গোন্ধ তেল ঘঁহি ডেকা-গাভৰু বিহুতলীলৈ যায়। কেতেকী ফুল উপহাৰৰ বহুমূলীয়া বস্তু। তাহানি ডেকাই গাভৰুক ওঁঠ বোলাবলৈ বৰ্হমথুৰিৰ থুৰি এটা আৰু কেতেকী ফুল এপাহ দিব নোৱাৰিলে প্ৰণয় অসাৰ্থক বুলি ভাবিছিল। বসন্তই বৈ অনা সমলৰ ভিতৰত ফুল এটি অনুপম সম্পদ আৰু সেয়েহে বিহুৰ বতৰৰ ফুলেও বিহুনামত একোডুখৰি ঠাই নিজাকৈ আৱৰি ৰাখিছে।

# বিহুনামত অসমৰ ভূগোল

চটাই পৰ্বতৰ পৰা চিৰী লুইতৰ বগী চকচকী বালিলৈকে জুৰি থকা মন-পথাৰৰ দীঘলীয়া বডিয়া বগাই অহা ৰঙালীৰ ৰঙাই আৰু ভোগালীৰ ভোগায়ে অসমৰ নৈ-পৰ্ব্বত, জান-জুৰি, ইকৰাণি-বিৰিণানি, পথাৰ-সমাৰ, বিল-ডোবা সকলোৱে জীয়া জীয়া ছবি লৈ আছে। আম-কঁঠাল, লেটেকু-পনিয়ল, থেৰেজু-থেকেৰা, তামোল-পাণ, বাঁহ-ঘাঁহেৰে ভৰপূৰ ভৰা গাঁৱৰ গ্ৰাম্য সংস্কৃতিৰ সোণ পৰশ কৃষিজীৱী মানুহৰ মনে-মনে, প্ৰাণে-প্ৰাণে, ঘৰে-ঘৰে। সেয়েহে বিহুৰ বলিয়া বা লাগি উৰি যাওঁ পুৰি যাওঁ কৰা সবল সুঠাম, খামিডাঠ ডেকাই বুকুৰ বেদনা পাতলাবলৈ বা মনৰ বাতৰি বিলাবলৈ কিবা এটা কওঁ বুলি মুখ মেলোতেই নিতৌ চকুৰ আগত আমনি কৰি থকা চিত্ৰবোৰে এটি এটিকৈ শাৰী পাতে। এইদৰে দেশখনৰ কিবা বৈচিত্ৰ্যপূৰ্ণ, কিবা মোহনীয় ঠাইখনে, নৈখনে পৰ্ব্বতটোৱেও ভুমুকি মাৰে আৰু বিহুনামৰ পাতনিত পৰি যাউতি-যুগীয়া হৈ জিক্‌মিকাই থাকে। চটাই পৰ্ব্বত নামৰ কল্পনাৰ পৰ্ব্বতটো আৰু চিৰপ্ৰবহমান চিৰী লুইতখনে অসমীয়া বিহুৱাক চিৰদিনেই প্ৰেৰণা দি আহিছে। অকল কিবা সেয়েনে? ধনশিৰী, দিখৌ, দিহিং, ৰঙা নৈ, ডেৰচোৱা-দীঘলী-লকৱা বিল, শলগুৰি, ডিফলু, চৌনিমৰা, নামচাং, দ'লবাগান চাহবাগিচা আদিয়েও বিহুনামৰ দীঘে-বাণিয়ে অথালি-পথালিকৈ আছে। ভূগোলৰ ভুল হলেও আজি বিহুৱাৰ ভুল নহয়। বনৰ স্বাধীনতা লৈ মনৰ সঁফুৰা মেলি দিওঁতে আজি বনঘোষাই ভূগোলৰ ভৌগোলিক বৈশিষ্ট্য স্বীকাৰ কৰি লোৱাৰ উপৰিও কাব্যিক সৌন্দৰ্য্যও বহণাই তোলে।

বিহু অসমীয়াৰ জাতীয় উৎসৱ কিন্তু বিহুনামৰ চৰ্চ্চা আৰু হুচৰি

গোৱা প্ৰথাটো কিয় জানো উজনি অসমতহে প্ৰৱল। তদুপৰি আজ্ঞি কিছুমান দিনৰ আগলৈকে কৃষ্টি-সংস্কৃতি সাহিত্যৰ গুৰি ধৰোঁতা দুই এজনেও বিহুনাম গোৱাটো গাৱঁলীয়া, অসংস্কৃত, অনাৰ্য্য মানুহৰ কাম বুলি ভাবিছিল। অৱশ্যে নাম গাই নচাটো মূলতেই অনাৰ্য্যমূলীয় অষ্ট্ৰিক, আলপাইন, মঙ্গোলীয় মানুহৰ কাম। শালিখেতি কৰা এই জাতিবিলাকে চ'ত-বহাগ-মহীয়া লহপহকৈ বাঢ়ি অহা আহুধান বিলাকৰ উৎপাদিকা শক্তি বৃদ্ধি পাবৰ বাবে আঁক নাচোনৰ গিৰিপণিত পৃথিৱী শস্যসম্ভৱা হবৰ বাবে গীত গাই গাই নাচিছিল। যৌনগন্ধী গীত গালে, যৌনগন্ধী নাচ নাচিলে পৃথিৱী উৰ্ব্বৰা হয় বুলি প্ৰায় আটাইবোৰ আদিম কৃষিজীৱী মানুহে ভবাৰদৰে লুইতৰ পাৰৰ এই মানুহবোৰেও ভাবিছিল। সেয়েহে অসমত ৰাতি-বিহুৰ প্ৰচলন হয়। কিন্তু এটা কথা তাৎপৰ্য্যপূৰ্ণ। হুচৰি আৰু নিশা-বিহু সমগ্ৰ অসমতে সমানে কোবাল নহয়। উজনি অসমতো আটাইবোৰ জাতিৰ মাজত বিহুৰ ঢোল-পেঁপা চৰ্চ্চাৰ অভাৱ দেখা যায়। আহোম, চুতীয়া আৰু মিৰি মানুহৰ মাজতহে ঢোল আৰু বিহুৰ চৰ্চ্চা অধিক দেখা যায়। উজনি অসমতে বহুকাল ধৰি বাসকৰা বৰাহী-কছাৰীসকলৰ হুচৰি গোৱা ৰীতি পৃথক কিন্তু একালত ৰাতি-বিহুৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। ভৈয়ামত বাস কৰা মিৰিসকলৰ মাজত ঐনিতম্ এটা গাই ঢোলত চাপৰ এটা মাৰি এপাক নচাটো আজি-কালি এটা জীৱনৰ একৰাব নোৱাৰা বস্তু, কিন্তু তেওঁবিলাকৰ পিতৃভূমিৰ সাংস্কৃতিক বৈশিষ্ট্যলৈ লক্ষ্য কৰিলেও দেখা পোৱা যায় অলপ পাৰ্থক্য। ঐনিতমৰ ব্যৱহাৰ তাত থাকিলেও ঢোলৰ ব্যৱহাৰ নাই। ঐনিতম্ আৰু ঢোলৰ একৰাব নোৱৰা সম্পৰ্কটো চুতীয়া-সকলৰ কাষত উত্তৰ-পুব সীমান্তত বাস কৰি থাকোঁতেই লাভ কৰে। মাত্ৰ ছশ বছৰমানৰ আগতে এবাএৰি হোৱা একে মঙ্গোলীয় গোষ্ঠীৰ আহোম আৰু চুতীয়াসকলৰ মাজত ঢোল-

পেঁপা-গগনা লৈ বিহুনাম গোৱা ৰীতিটো প্ৰবল আছিল। এই দুটা জাতিৰ ঘন বসতিৰে ভৰা উজনি অসমত বাস কৰিবলৈ লোৱা কোচ, কলিতা আদি জাতিৰ মাজতো বিহুৰ সাংস্কৃতিক দিশটো জনপ্ৰিয় হৈ পৰে কিন্তু নামনি অসমত বাস কৰি থকা তেওঁবিলাকৰ ভাই-ভ্ৰাতৃ, অঙহী-বঙহীয়ে এতিয়াও বিহুনাম গাই নাচিবলৈ শিকা নাই। সেইবাবে বিহুনামবিলাকত উজনি অসমৰ ভূগোলৰহে সাঁক দেখিবলৈ পোৱা যায়।

অসম নৈৰে ভৰা দেশ। বিশাল চিৰী লুইতৰ বুকুলৈ দুয়ো-পাৰে টপলিয়াই অহা অসংখ্য উপ-নৈ, জান, জুৰিয়ে দেশৰ জাতীয় জীৱনৰ ওপৰত প্ৰভাৱ পেলাইছে। ধনশিৰীৰ পৰা সোৱণশিৰীলৈকে প্ৰায় আটাইবোৰ নৈয়েই কিবা নহয় কিবা সুযোগত বিহুনামত ভুমুকি মাৰিছে। ব্ৰহ্মপুত্ৰ যদিও 'অমোঘগৰ্ভসম্ভূত' তথাপি নামটো অৰ্বাচীন যেন লাগে। অৱশ্যে ১৬৬১ চনত হোৱা এটা প্ৰলয়ঙ্কৰী ভূমিকম্পৰ ফলতহে ব্ৰহ্মপুত্ৰৰ মাজুলীৰ দক্ষিণৰ সুঁতিটো ইমান কোবাল হয়। ইয়াৰ আগতে লুইত মাজুলীৰ উত্তৰেদিহে বৈছিল। এই ভূমিকম্পৰ ফলত লুইত-দিহিং একেখন হ'ল—

'লুতে এৰিলে লুইতৰ সুঁতি
দিহিঙে এৰিলে কূল।'

লুইতৰ কথা ভালেমান ঠাইত পোৱা যায় কিন্তু ব্ৰহ্মপুত্ৰৰ কথা মাত্ৰ দুটা গীততহে পোৱা যায়।

এটা গীতত ব্ৰহ্মপুত্ৰত দেৱত্ব আৰোপ কৰা হৈছে, আনটো গীতত ব্ৰহ্মপুত্ৰৰ বিশালতাক স্বীকাৰ কৰা হৈছে।

'ব্ৰহ্মপুত্ৰৰে পাৰৰে বৰ্হমথুৰি এজুপি
আমিনো খৰি লুৱা ঠাই,
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা
তামোল দি মাতোতা নাই।'

* * *

'লক্কৰা বিলখন জাপ মাৰি ডেই যাম
ব্ৰহ্মপুত্ৰ কেনেকৈ ডেম্;
সিপাৰৰ পৰা বান্ধৈ হাত মেলিবি
মকৰা জোৰা দি যাম।'

চিৰী লুইতত কিৰিলি মাৰি চেনায়ে নাও মেলি যায়, চিৰী লুইতৰ পাৰত চেনেহীয়ে চিৰিপ্ চিৰিপ্ কৰি কাপোৰ ধোৱে, লুইতৰ বগী ঢকেঢকী বালিত কাছই কণী পাৰে, লুইতৰ পাৰৰ গোধা শিমলুৰ ডাল ভাগে। নল-খাগৰি, উলু-বিৰিণা, ইকৰা-বৰঙাই সেউজীয়াকৈ সজোৱা শুৱনী মাজুলী চাপৰি, লুইতৰ ঘাটৰ মিৰি, চাকৈ-চকোৱা বিহুনামত জিলিকি উঠে। লুইতৰ পাৰৰ জোপোহা শিমলুত কুকুৰাই বাহ লোৱা, ন-পানী পাই শিহু ঘৰিয়াল উজাই যোৱা প্ৰাকৃতিক দৃশ্য সদায় সজীৱ হৈ আছে। উপনৈ সমূহৰ ভিতৰত দিহিং, ডিবুৰু, দিখৌ, জাঁজী, ভোগদৈ, নামডাং, ধনশিৰী, সোৱণশিৰী, বৰডৈ, পাৰিকা, কলং নৈৰ নাম পোৱা যায়। এই নৈবোৰৰ নাম উল্লেখ কৰিবৰ বেলিকা ইয়াৰ প্ৰাকৃতিক বৈশিষ্ট্যৰ প্ৰতি সদায়েই চকু দিয়া হয়। 'ধনশিৰী' জেঙে-জাবৰে ভেটিব পাৰে কিন্তু কোনোৱে 'সোৱণশিৰী'ক ভেটে কিহে? 'ধনশিৰী'ৰ লোৰৰ শলখা মাৰি দলং সজালে, 'সোৱণশিৰী'ত বালিৰ বালিচন্দা ধুই সোণগুৰি বুটলে। 'দিহিঙৰ' আগলি তিনি ভেঙুৰীয়া, 'ডিবুৰু'ৰ পাৰৰ পবালি পবালি নল ভাগে, দিখৌ নৈ এৰিব পাৰে, জাঁজী নৈয়ো এৰিব পাৰে কিন্তু 'জাঁজী'ৰ উটি অহা জাঁজীৰ দৰে জীৱনৰ সুঁতিত লাগি ধৰা জাঁজৰী ভাঙিব নোৱাৰে। 'দিখৌ' গুমেগুমাই কোম্পানীৰ জাহাজ আহে, কিন্তু বুকু গুমে-গুমাই 'কলঙ'ৰ বঙাগৰা খহাদি মনৰ গৰা খহে। 'ভোগদৈ'ৰ লেতেৰা পানীত পাভমাছ উজায় মনত উজায়, মনৰ বেদনা। 'ডেৰচোৰা'ৰ বৰালি. 'কাকডোঙা'ৰ বৰালি একেলগ হয়, দিহিঙে দিচাঙে মুখামুখি হ'লে জাহাজে চুটি মেলে, ওলাই নামডাঙৰ

সাঁকো দেখে। প্ৰাকৃতিক বৈশিষ্ট্যৰ উপৰিও ঐতিহাসিক তাৎপৰ্য্যও ভৌগোলিক পৰিবেশৰ বুকুত সোমাই আছে। ১৬৬১ চনত লুইতৰ স্মৃতি সলনি হোৱা উনৈশ শতিকাৰ ষষ্ঠ দশকত দিখৌ গুমেগুমাই কোম্পানীৰ জাহাজ অহা, নামডাঙৰ শিলা-সাঁকো, পূৰ্ণানন্দ বুঢ়াগোঁহায়ে দিচৈ নৈৰ স্মৃতি সলাই 'ভোগদৈ' নৈ খনোৱা, 'ধনশিৰী'ত লোৰৰ দলং সজোৱা আদি সৰু-বৰ ঘটনাৰ তালিকা আছে। নৈৰ দৰে বিলৰ নামো বিহুনামত পোৱা যায়। 'দীঘলী বিল', 'লকুৱা বিল', 'বগী বিল', 'চৰাই-হাগীবিল', 'বলমা বিল', 'ডেবচোৱা বিল' আদিৰ নামো বিহুনামত আছে। 'দীঘলী বিলত' চেনীকুঢ়ি মাছলৈ বালি ভেটা দিয়ে, 'লকুৱা বিলখন' জাপমাৰি ডেই যায়, 'বগীবিলত' বগী চেনী পুঠি উজায়, চৰাইহাগী বিল'ত চৰাই উৰি আহি পৰে, 'বলমা বিলৰ' মাছ সোৱাদ, 'নেঘেৰিয়াল যোৰহটীয়া' একে ঠাই হোৱাদি 'ডেবচোৱা', 'কাকডোঙা'ৰ বৰালি লগ লাগে, ৰঙাজানৰ তেলীয়া সাঁকোত বগাৰ নোৱাৰি চেনাই বাগৰি পৰে, আৰু যে কত কি হয়। ৰঙানৈ মাছৰ বেজাৰত শুকায়, দৈয়াঙত হাতীয়ে পানী খায়, চিচিমুখত নাৱবাট মাছৰ উজান পৰে। এইদৰে নৈ আৰু বিলৰ নাম বিহুনামত উপচি আছে।

ৰংপুৰ, গড়গাওঁ একালত অসমীয়া কৃষ্টি-সংস্কৃতিৰ স্নায়ুকেন্দ্ৰ আছিল। গতিকে বাটচ'ৰাৰ মুখলৈ স্বৰ্গদেও ওলাবৰ বেলিকা নগৰখনলৈ স্বাভাৱিকতে মনত পৰিছিল। নগৈ গড়গাঁৱৰ বাতৰি পোৱা টান কিন্তু 'নগাওঁ'ৰ বাতৰি 'গড়গাওঁ'ত শুনাটো' একো আচৰিত কথা নহয়। 'ৰংপুৰ বজাৰ'ৰ মদাৰৰ পাণখিলা যেনেকৈ সোৱাদ তেনেকৈ ৰংপুৰৰ সৃষ্টিও সোৱাদ। ৰংপুৰ নগৰত কাৰেং-ঘৰ সজালে মাৰলিৰ জোৰা নোখোৱা কথাষাৰো বিহুৱাই মনত ৰাখিছে। আহোম যুগৰ কিছুমান ঐতিহাসিক বিশেষত্ব থকা ঠাইৰ নাম মাজে মাজে বিহুনামত সোমাই আছে। 'ফুলপানী-

ছিগা'ত ঢোলৰ মাত শুনি জীয়াৰীয়ে উজটিত যঁতৰ ভাঙে; 'নগাঁৱ'ৰ নলনি 'বছাগাঁৱ'ৰ দলনি জিকমিকাই থাকে; স্বৰ্গদেওৰ চিকুণ কেকোঁৰা দোলাখন শুকায় 'গজপুৰ'ৰ আলি; কোন স্বৰ্গদেৱে পুখুৰী খনালে নাম থলে 'গৌৰীসাগৰ'; 'স্বৰ্গদেৱৰ তামুলী-গন্ধীয়া ফুকনে মাতে 'তাওকাক'ৰ পৰা; 'গেলেকী' গেৰাজত চিপাহী কাটিলে; 'শিৱসাগৰ' শুকাব আফুকানি লুকাব; সাতৰাজ মাৰি একেৰাজ কৰিলে ললে 'যোৰহাট'ত ঠাই; 'মানদেশ'ত আছিলে মানতৰা এযুৰি; 'চামগুৰি' হাটতে ঢোলে গিৰ্‌গিৰায়; 'ৰংপুৰ'লৈ যোৱাগৈ লংগুটি আনাগৈ বুলি বিহুৱাই নানান বাতৰি দিছে।

'শদিয়া' বুৰঞ্জী-প্ৰসিদ্ধ ঠাই। এসময়ত অজাস্তি মুলুকৰ সদৰ ঠাই শদিয়া ভালেমান কেইটা কাৰণত বিখ্যাত হৈ পৰিছিল। পুৰণি কালতে 'শদিয়ালৈ নেযাবা, শতফুল নেখাবা' বুলি একেষাৰ কথা প্ৰবচন হৈ পৰিছিল। শদিয়া দুৰণি ঠাই, তাতে একালত আবৰ-মিচিমিয়ে উৎপাত কৰিছিল। শদিয়াত খামতিসকলে বিদ্ৰোহ কৰি কৰ্ণেল আদাম হোৱাইটক বধ কৰিছিল। সেইবাবে শদিয়া ৰণ লগা ঠাই হিচাপেও বিখ্যাত হৈ পৰিছিল। কোনে আনি দিব ধনবে বাতৰি শদিয়া বাজৰে পৰা, 'মাৰো শদিয়াৰ বাপেৰো শদিয়াৰ তোকো শদিয়ালৈ দিলে'; 'কোৱাই কা নকৰা জিলীয়ে জা নকৰা শদিয়া পাৰৰে আলি'; 'তোমাৰে বেজাৰত ঘৰতো নাথাকো মৰিমগৈ শদিয়া ৰণত'; 'ডিবুৰুৰ ৰণখন শদিয়াত লাগিলে মিৰিয়নী কান্দিলে ডালত' বুলি বিহুৱাই শদিয়াক সোঁৱৰে। ব্ৰহ্মপুত্ৰত জাহাজ চলিবলৈ আৰম্ভ কৰাৰ পিছত 'ডিবুৰু জিলা' বেহা-বেপাৰৰ বাবে বিখ্যাত হৈ পৰে—চেনায়ে ডিবুৰু বজাৰৰ সূতা আনি দিব খোজে, কাৰণ, 'ডিবুৰু শুৱনী দোকানে-পোহাৰে'। 'জিলা নহয় ডিবুৰুগড়' বুলি উকিটো মাৰি যাবলৈ ওলোৱাজনক জাকিট চোলা, লংগুটি আনিবলৈ সোঁৱৰাই

দিয়ে। সেইদৰে 'যোৰহাট জিলালৈ অকলে নেযাবা' বুলিও সতর্ক কৰি দিছে।

অসমত ইংৰাজ শাসনৰ লগে লগে চাহ-বাগিচা খুলিবলৈ ধৰে। চাহ বাগিচাই অসমীয়া ডেকাৰ আশা আকাঙ্ক্ষা সলনি কৰিলে, বাগিচাৰ চাকৰিত আৱদ্ধ হৈ ঘৰলৈ মনত পৰিবলৈ ধৰিলে। চকুৰ আগতে থকা বাগিচাখনে বিহুৱাৰ মনতো ছাঁ পেলাই বিহুনামত ভূগোলৰ ৰেখা টানিলে। 'শলগুৰি' বাগিচাত মন নবহে, ওলায়ে 'চিচিমুখ'ৰ কলঘৰ দেখে, উজাই 'নামচাং' ভটীয়াই 'নাজিৰা', তাৰ মাজত 'ৰাওনা খাত', 'চৰাইদেও' ওপৰে 'দ'লবাগান' বাগিচাত টেকেলাই পাত মাৰে; বাগিচাৰ চাকৰিত সোমাই চেনেহীক নেদেখা হৈ চিনামৰা বাগিচালৈ চিঠি লিখে; হাঁফলুত উঠি 'ডিফলু' দেখে, 'টিয়ক'ত বান্ধৰ দেখে। এইদৰে অনেক বাগিচাই বিহুনামত ভূমুকি মাৰিছে।

বিহুনায়ত নৈ, বিল, পৰ্ব্বত, বাগিচা আৰু নগৰৰ ভূগোল ভুল নকৰাকৈ বাতৰি দিয়াৰ লগতে কেইটামান ৰজাদিনীয়া আলিয়েও বাট পোনাই দিছে। লাদৈ পৰ্ব্বতৰ আলি, ৰাজগড়ৰ আলি, শদিয়াপাৰৰ আলি, ছৈয়াঙৰ আলি, বৰ আলি, টেঙ্গী আলি, গজপুৰৰ আলি আদিৰ নাম পোৱা যায়।

ভৌগোলিক নামবোৰ কোনো কোনো ঠাইত জোৰণি অংশত উল্লেখ কৰা হৈছে কিন্তু কিছুমান ক্ষেত্ৰত উল্লেখ হোৱা চিত্ৰ আৰু উপমাবোৰ মনোৰঞ্জক।

'ৰঙানৈ শুকালে মাছৰে বেজাৰত
'লুইত'খন শুকাইছে কিয়;
মই চেনাই শুকাইছো তোমাৰে বেজাৰত
তুমিনো শুকাইছা কিয়।'

* * *

'ধনশিৰী ভটিলে জেঙে ঐ জাবৰে
সোৱণশিৰী ভটিলে কিহে ;
ভগা খোলাকটি কমাৰে গঢ়িলে
যৌৱন গঢ়ি দিলে যিহে।'

* * *

উজাই শদিয়া ৰাজ্যৰ পৰা ভটিয়াই কলঙৰ গৰালৈকে অসমৰ অনেক ভৌগোলিক কথাই বিহুনামত পিট্‌পিটাই ফুৰিছে। বিহুনামৰদৰে আন আন অসমীয়া লোকগীততো ভৌগোলিক স্থান আৰু বৈশিষ্ট্যৰ উকি শুনিবলৈ পোৱা যায়। ৰতনপুৰ, অভয়পুৰ, পেঙ্গেৰা, ভগাদিচাং, মহং, চামদাং, হাবুং, ফুলবাৰী, পিছলা, গজপুৰ, চামগুৰি, নাজিৰা হাট, বৰকলা, এৰানগৰ আদি পুৰণিকলীয়া ঠাইবোৰে লোকগীতত সোমাই সেই সেই ঠাইৰ বৈশিষ্ট্য প্ৰকাশ কৰিছে।

# বিহু আৰু অষ্ট্ৰিক সংস্কৃতি

অষ্ট্ৰিক জাতি একালত সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰিছিল। অষ্ট্ৰিক জাতিৰ সবাতোকৈ বিখ্যাত বৰঙণি হ'ল—গ্ৰাম্য-সংস্কৃতি। গাওঁ পাতি বাস কৰা আৰু খেতি কৰা দুয়োটাই অষ্ট্ৰিক। জুম খেতিৰ দৰে এওঁবিলাকে পোনতে হাবিত জুই লগাই যাঠী বা তেনে অস্ত্ৰেৰে মাটিত ঘা লগাই গুটি সিঁচিছিল। পছিলুস্কিয়ে 'নাঙল' শব্দটো অষ্ট্ৰিক বুলি কৈছে। ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে কৈছে—"খুব সম্ভৱতঃ দ্ৰাবিড়-ভাষীসকলৰ পৰা তেওঁবিলাকে নাঙলত গৰু-ম'হ জুটি মাটি চাহ কৰিবলৈ শিকে।" বাৰিষাৰ ধান খেতি অষ্ট্ৰিকসকলৰ। জহাধান অষ্ট্ৰিক। জহা জহা গোন্ধ থকা জহামাল, জহাভোল, জহাকোমোৰা আদিও অষ্ট্ৰিকৰ। এইদৰে ঠাইৰ নাম, খেতি-বাতি, ৰীতি-নীতি, সা-সঁজুলি, সম্বন্ধবাচক শব্দ আদি ভালেমান ক্ষেত্ৰত অষ্ট্ৰিক সংস্কৃতিৰ বৰঙণি দেখা যায়।

অষ্ট্ৰিক সংস্কৃতি কৃষিমূলক সংস্কৃতি। গাওঁ পাতি বাস কৰি তেওঁবিলাকে নানা তৰহৰ খেতি-বাতি কৰিছিল। খৃঃ পূঃ দুহেজাৰ বছৰৰ আগতে অষ্ট্ৰিকসকল গঙ্গা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত বিয়পি পৰিছিল। গঙ্গা নদীবাচক শব্দ অষ্ট্ৰিক। আবৰসকলৰ নদীবাচক 'য়ঙ্গ' শব্দটো এইক্ষেত্ৰত প্ৰণিধানযোগ্য। গঙ্গা শব্দটো বহুতো নৈৰ নামৰ পিছত ব্যৱহাৰ কৰা হয়, যেনেঃ ভাগিৰথী গঙ্গা, ভোগৱতী গঙ্গা, কপিলী গঙ্গা, কৰতোয়া গঙ্গা, বশিষ্ঠী গঙ্গা (দিখৌ) ইত্যাদি। নৈৰ উপত্যকাত বাস কৰিছিল যদিও অষ্ট্ৰিকসকলে মূলতে পৰ্ব্বতত বাস কৰিছিল যেন লাগে, কাৰণ পৰ্ব্বত বা পৰ্ব্বতৰ লগত সম্বন্ধ থকা টিলা, মৈদাম, টিং, টিপ, পাহাৰ আদি অষ্ট্ৰিক শব্দ। অষ্ট্ৰিকভাষী খাচীয়াসকলে আজিও

পৰ্ব্বতত বাস কৰি খেতি-বাতি কৰে। অষ্ট্ৰিক জাতিয়ে কল, বেঙেনা, লাও, তামোল, নাৰিকল, হালধি, আদা, কচু, টেঙা, সৰিয়হ, জলকীয়া, আলু আদি শাক-পাচলিৰ খেতি কৰিছিল। অসমত অষ্ট্ৰিক জাতিৰ সংস্কৃতিৰ বিৰাট পয়োভৰৰ সময়তহে অসমলৈ আৰ্য্য আৰু মঙ্গোলীয় সংস্কৃতিৰ মানুহ আহিছিল যেন লাগে। ধৰ্ম্ম আৰু আধ্যাত্মিক দিশটোৰ বাহিৰে অসমৰ মানুহৰ জাগতিক জীৱনত অষ্ট্ৰিক আৰু মঙ্গোলীয় সংস্কৃতিৰেই প্ৰভাৱ অধিক। অসমৰ গাৱঁলীয়া জীৱনৰ জীৱন পদ্ধতি আৰু সা-সম্পদলৈ লক্ষ্য কৰিলেই এই কথা উপলব্ধি কৰিব পাৰি। তামোল-পাণ অষ্ট্ৰিক সংস্কৃতিৰ। তাম্বুল শব্দটোৰ মূল আৰু ব্যৱহাৰ আৰ্য্যভাষী মানুহৰ মাজত দেখা নাযায়। তামোলৰ খেতি, তামোলক ভেটি কৰি সৃষ্টি হোৱা সাংস্কৃতিক ৰীতি-নীতিবোৰ অষ্ট্ৰিকৰ পৰাই অসমীয়া সংস্কৃতিলৈ আহিছে। অষ্ট্ৰিক আৰু মঙ্গোলীয় সংস্কৃতিৰ মাজত ভালেমান সাদৃশ্য দেখা যায়। এই সাদৃশ্য থকা হেতুকে উভয় সংস্কৃতিৰ সমন্বয় অতি সহজে সাধিত হৈছিল। পিছলৈ বিশ্লেষণ কৰি উলিওৱাই টান হৈছিল। অসমৰ খাচীয়াসকলৰ মাজত থকা তামোলৰ খেতি আৰু তামোল সম্পৰ্কীয় অসংখ্য লোকাচাৰে অষ্ট্ৰিক জাতিৰ তামোল খেতিৰ প্ৰমাণ দিয়ে।

অষ্ট্ৰিক জাতি ঘাইকৈ কৃষিজীৱী আছিল। কৃষি সভ্যতাৰ আনুষঙ্গিক সম্পদবোৰ পোনপটীয়াকৈ অষ্ট্ৰিক সংস্কৃতিৰ লগত জড়িত নহলেও অষ্ট্ৰিক মঙ্গোলীয় সংস্কৃতিৰ সমন্বয়ৰ মাজেদি আহি অসমীয়া সংস্কৃতিৰ সম্পদ হৈছেহি। এজন অসমীয়া খেতিয়ক আৰু পশ্চিম ভাৰতৰ খেতিয়কৰ খাদ্য, ৰীতি-নীতি আৰু কৃষি সুকীয়া। ইয়াৰ কাৰণো ওপৰত উল্লেখ কৰি অহাটোৱেই। অষ্ট্ৰিক জাতিটো পাকৈত খেতিয়ক হোৱাৰ ওপৰিও তীখৰ চিকাৰীও আছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ ডাঠ হাবিত হাতী ধৰি পোহ মনায়। ডঃ বাগ্চীয়ে 'পালকাপ্য' মুনিৰ নামটো অষ্ট্ৰিক বুলি উল্লেখ